# NONOI COLLEGE

A FIELD REPORT

ON

SRIMANTA SANKAR MISSION BLIND SCHOOL

SUBMITTED TO THE DEPARTMENT OF

PSYCHOLOGY (SEC)

NONOI COLLAGE FOR PAPER-6014

B.A 6TH SEMESTER EXAMINATION-2021-22

Examined
20/7/22

Principal, I/c
Nonoi College
Nagaon (Assam)


**SUBMITTED BY:**

**NAME:- ANJANA RAI.**

**Regn. No:-19091882**

**ROLL :-UA-191-306-0014**

**DEPT. OF PSYCHOLOGY(SEC)**

**GUWAHATI UNIVERSITY**

শ্ৰী মতি বনজ্যোতি গায়ন।

সহকাৰী অধ্যাপিকা।

মনোবিজ্ঞান বিভাগ।

নৈনে মহাবিদ্যালয়,

নৈনে, নগাঁও (অসম)

পিন-৭৮২১০১

SRI BANJYOTI GAYAN,

ASS. TT. PROFESSOR,

DEPT. OF PSYCHOLOGY (SEC)

NONOI COLLAGE,

NONOI, NAGAON,(ASSAM)

PIN-782101

---

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ মনোবিজ্ঞান বিষয়ৰ ষষ্ঠ ষান্মাষিকৰ "কাকত SEC-6014: শ্ৰী অঞ্জনা ৰায় ক্ষেত্ৰ অধ্যায়নৰ বিবৃতি খন দাখিল কৰিছে।উক্ত বিবৃতি খন ক্ষেত্ৰ অধ্যায়ন পদ্ধতিৰে প্ৰস্তুত কৰি উলিয়াইছে । এই অধ্যয়নত তেওঁৰ শ্ৰম আৰু অধ্যয়ন সুস্পষ্ট।

মই তেওঁৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

Bgm,
6/7/22

মূৰব্বী অধ্যাপিকা।
মনোবিজ্ঞান বিভাগ।
নৈনে মহাবিদ্যালয়,

শ্ৰী মতি বনজ্যোতি গায়ন।
তত্বাৱধায়ক ।
নৈনে, নগাঁও (অসম)

## কৃতজ্ঞতা স্বীকাৰ:-

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত স্নাতক মহলাৰ মনোবিজ্ঞান পদ্ধতিত ক্ষেত্ৰ অধ্যয়নৰ বিষয়টি অন্তৰ্ভুক্ত কৰা হৈছে।এই অনুসৰি প্ৰত্যেক মনোবিজ্ঞানৰ ছাত্ৰ ছাত্ৰীয়ে বিশেষ বিষয়ৰ ওপৰত ক্ষেত্ৰ অধ্যয়ন কৰিব লগা হৈছে। বিদ্যায়তনিক দিশত ক্ষেত্ৰ অধ্যয়নে ছাত্ৰ ছাত্ৰীক জ্ঞান অন্বেসনৰ পথ নক্সা হিচাপে বিভিন্ন প্ৰকাৰে সহায় কৰি আহিছে। বৰ্তমান সময়ত মনোবিজ্ঞানে আন অন্তৰগত বিষই সমোহ অধ্যয়ন কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। সেয়ে শেত্ৰ অধ্যয়ন নিৰ্ভুল তথ্য সনগ্ৰহণৰ উৎকৃষ্ট মাধ্যমবুলি কব পাৰি।

ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে এই শুদ্ধ ক্ষেত্ৰ অধ্যয়ন পত্ৰখন প্ৰস্তুত কৰোঁতে বিষয়সমূহ ভিতৰত বহুমূলীয়া জ্ঞান তথ্য সংগ্ৰহ পৰামৰ্শ গ্ৰহণ প্ৰদান ইত্যাদি সকলো দিশতে আলোকপাত কৰোঁ। মনোবিজ্ঞান বিভাগীয় মূৰব্বী অধ্যপিকা শ্ৰী মতী বনজ্যোতি গায়ন , কবিতা দেবী কুশ্ৰে আৰু শ্ৰী মতী সুকণ্যা বৰা বাইদেউ প্ৰমূখ্যে সকলোকে অন্তৰৰ নিৰ্মূল কোণৰ পৰা শ্ৰদ্ধা জনাইছোঁ।

ক্ষেত্ৰ অধ্যয়ন পত্ৰ খন খুণ্ডৰ ৰূপত ডি. টি. পি কাৰ লগতে সহায় আগবৰোৱা সকলুলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শ্ৰীমতি অঞ্জনা ৰায়

মনোবিজ্ঞান বিভাগ

নৈনে মহাবিদ্যায়

# সূচীপত্ৰ


## Chapter:১

(ক) আৰম্ভণি।

(খ) ভ্ৰমণৰ বিষয়ে চমু আভাস।

(গ) ভ্ৰমণৰ উদ্দেশ্য ।

(ঘ) ভ্ৰমণৰ অৱশ্যকতা ।

(ঙ)ক্ষেত্ৰ অধ্যয়ন পদ্ধতি।

(চ) নগাওঁ বৰ়মপুৰ অঞ্চলৰ। ইতিহাসৰ চমু বিৱৰণ।

## Chapter:২

(ক) শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালয়ৰ চমু বিৱৰণ।

## Chapter:৩

(ক) ব্যক্তিজনৰ বিষয়ে চমু বিৱৰণ।

(খ) সামৰণি মন্তব্য।

**ক) আৰম্ভণি:-**

ইংৰাজী "Field" অভিধাৰ প্ৰতিশব্দ স্বৰূপে ক্ষেত্ৰ শব্দটো ব্যৱহাৰ কৰা হৈছে। ক্ষেত্ৰৰ অৰ্থ হৈছে যাৰ পৰা গৱেষণাৰ বাবে প্ৰয়োজনীয় কেঁচা সমল সংগ্ৰহ কৰা হয়। যিকোনো এটা পৰিবেশত গৈ সেই পৰিবেশটোৰ ওপৰত অধ্যয়ন কৰি যি জ্ঞান অৰ্জন কৰা হয় আৰু সেই অৰ্জন কৰা জ্ঞানকেই ক্ষেত্ৰ অধ্যয়ন বোলে।

মানুহৰ জীৱনৰ পূৰ্ণতা লাভৰ কাৰণে বিভিন্ন ক্ষেত্ৰত পৰিদৰ্শন তথা অধ্যয়নৰ প্ৰয়োজন। শিক্ষা আহৰণৰ অনন্য আহিলা সমূহৰ ভিতৰত ক্ষেত্ৰ অধ্যায়ন তথা পৰিদৰ্শন এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পুঠিগত অধ্যয়ন লগতে আমাৰ ক্ষেত্ৰ ভিত্তিত তথা ব্যৱহাৰিক জ্ঞানৰো বিশেষ প্ৰয়োজনীয় আছে।পাঠ্যপুথিত থকা অধ্যয়ন বিশেষ বস্তুবোৰৰ বাস্তৱ ৰূপত অধ্যয়ন কৰিলে সফলতা অধিক ফলপ্ৰসূ হোৱাকৈ লক্ষ্য মহাবিদ্যায়ৰ পাঠ্যক্ৰমত ক্ষেত্ৰ অধ্যয়ন বিষয়টো বাধ্যতামূললক হিচাপে সন্নিবিষ্ট কৰা হৈছে।

**খ) ভ্ৰমণৰ বিষয়ে চমু আভাষ:-**

নৰ্তৈ মহাবিদ্যালয়ৰ ষষ্ঠ ষাম্মাষিকৰ মনোবিজ্ঞান বিভাগৰ অধ্যাপিকা সকল আৰু ছাত্ৰ ছাত্ৰীসকলোৱে মিলি জুন মাহৰ ২৪ তাৰিখ শুক্ৰবাৰে ক্ষেত্ৰ অধ্যায়নৰ কাৰণে বড়মপূৰ " SRI MANTA SANKAR MISSION BLIND SCHOOL" লৈ গৈছিলো। আমি শুক্ৰবাৰে পূৱা ১১.০০ মান বজাত মহাবিদ্যালয়ৰ পৰা বড়মপূৰলৈ ৰাওনা

হৈছিলো। আমি পূৱা ১১.৩০ মান বজাত উক্ত স্থানত উপস্থিত হৈছিলো। প্ৰথমে, আমি সেই বিদ্যালয়ত প্ৰবেশ কৰি তাত থকা ছাত্ৰ ছাত্ৰীসকলৰ লগত চিনাকি হৈছিলো আৰু তাৰ পিছত বাইদেউ সকলে কেনেদৰে ক্ষেত্ৰ অধ্যায়ন কৰিব লাগে তাৰ সবিশেষ বুজাই দিছিল আৰু তেনেদৰে পিছৰ পৰ্যায়ত তাৰ লৰা ছোৱালীৰ ওপৰত অধ্যয়ন কৰিছিলো । অধ্যয়নত তেওঁলোকৰ বহুতো গুৰুত্বপূৰ্ণ কথা জানিছিলো । দ্বিতীয়তে, তেওঁলোকে আমাক এটা সংগীতৰ অনুষ্ঠান পৰিবেশন কৰি দেখুৱাইছিল। অনুষ্ঠানটো ছাই আমি সচাঁকৈ আনন্দিত হৈছিলো। বিদ্যালয়খনৰ পৰিবেশটো বৰ সূন্দৰ আছিল। তেওঁলোক যদিও দৃষ্টিহীন আছিল, কিন্তু কৰিব নোৱাৰা কাম একো নাছিল।

**(গ) ভ্ৰমণৰ উদ্দেশ্য :-**

ভ্ৰমণ মানুহৰ জীৱনত আধ্যাত্মিকতাবাদ, দূৰদৰ্শী কল্পনাত্বক ভাবৰ সৃষ্টি কৰে। ভ্ৰমণ শিক্ষাৰ এক অনবৈধ্যসৃষ্টি। ভ্ৰমণ হৈছে শিক্ষাৰ এক অমূল্য অংগ। মানুহৰ মানসিক বিকাশ ঘটাই। যিকোনো এটা পৰিবেশ বা এটা অঞ্চল প্ৰতেশভাবে নিৰীক্ষণ কৰি নিজৰ জীৱন মাত্ৰাৰ লাগতীয়াল অভিজ্ঞতা সমূহ আয়ত্ব কৰি জীৱনৰ পূৰ্ণতা লাভ কৰিব পাৰি।

2022 চনৰ ষষ্ট যান্মাষিকৰ মনোবিজ্ঞান বিভাগৰ দ্বিতীয় প্ৰশ্ন কাকত ক্ষেত্ৰ অধ্যায়নৰ বিষয়টি অন্তৰ্গত কৰি দিয়া হৈছে আৰু ইয়াৰ উৎস হিচাপে বাছি দিয়া মনোবিজ্ঞানৰ বিভিন্ন বিষয়সমূহ। এই ক্ষেত্ৰ অধ্যয়ন বিষয়টি বৰ্তমান সময়ত ছাত্ৰ ছাত্ৰী বাবে অতি প্ৰয়োজনীয়। ভূগোল আৰু বুৰঞ্জীত পোৱা জ্ঞানে

জীৱনত পূৰ্ণতা আনিব নোৱাৰে। সকলো মানুহৰ ভ্ৰমণৰ আকাংক্ষা থাকে। পৃথিৱী পৰিবৰ্তনৰ নামত ইমানে সলনি হৈছে যে,। বিভিন্ন লোক সমাজৰ অন্তৰ্গত বহুতো বিষয় পাহৰণিৰ গৰ্ভত লুপ্ত হৈ পৰিছে।

ক্ষেত্ৰ অধ্যয়নে অধ্যয়নকাৰিৰ মনত অনুভৱ শীলতা অৰ্থাৎ নিজকে বুজিপুৱাৰ মানসিকতা আৰু কোনো এটা বিষয়ত নিজৰ প্ৰতিভাৰে চিন্তা ধাৰাবুজাত সহায় কৰে শিক্ষা ভ্ৰমনৰ জ্ঞানে অধিক জ্ঞানৰ সম্পসাৰিত কৰে আৰু পূৰ্ণতা দান কৰে তদুপৰি ছাত্ৰ ছাত্ৰী সকলৰ মনত সনকিৰ্ণতা দুৰ কৰে।

ভ্ৰমণকালত পোৱা মানুহৰ লগত হোৱা আলাপ - আলোচনাই তেওঁলোকৰ মনুষ্যতৰ বিকাশ ঘটায় তাক এটা বৃহত্তৰ পৰিস্থিতিলৈ আগবঢ়ায় নিয়ে। এনে সুবিধাৰ ছাত্ৰ ছাত্ৰীৰ জ্ঞান পিপাসুমক সুদূৰ প্ৰসাৰি কৰি তুলিব পাৰি।

**ঘ) <u>ভ্ৰমণৰ আৱশ্যকতা:-</u>**

"A Human Life is not complete, if he does not visit other place"মানৱ জাতি হল সমাজপ্ৰীয় জীৱ। সমাজজীৱনৰ গতিশীল চক্ৰৰ মাধ্যমেৰে মানুহ এজনে সমাজৰ পৰা নতুন নতুন জ্ঞান আহৰণ কৰে। এজন মানুহে জ্ঞান আহৰণৰ বাবে বহুতো উপায় অৱলম্বন কৰিব লগা হয়। এনে উপায় সমূহৰ ভিতৰত ক্ষেত্ৰ অধ্যয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আমি ক্ষেত্ৰ অধ্যয়ন কৰাৰ জৰিয়তে নিজে প্ৰত্যক্ষভাৱে সমাজৰ মানুহৰ জীৱনৰ যাত্ৰাৰ অনুষ্ঠান, প্ৰতিষ্ঠান,

চিকিৎসালয়, শিক্ষানুষ্ঠান, বিভিন্ন প্ৰকৃতিক পৰিবেশ ডাঙৰ ডাঙৰ কাৰখানা, বিভিন্ন স্বেচ্ছাসেৱী সংগঠন আদি বিভিন্ন স্থানৰ পৰিৱেশ বোৰ দেখিবলৈ পাওঁ আৰু তুলনামুলক ভাৱে সেই স্থানবোৰত বাস্তৱত কি পৰিস্থিতিত আছে বা কি সমস্যাই জৰ্জ ৰিত কৰিছে তাৰ উমান পাওঁ।সেয়ে বাস্তৱত কি পৰিস্থিতি আছে বা কি সমস্যাই জৰ্জৰিত কৰিছে তাৰ উমান পাওঁ।

সেয়ে বাস্তব আৰু ব্যবহাৰিক জ্ঞান আহৰণ কৰিবলৈ ক্ষেত্ৰ অধ্যয়ন অতি প্ৰয়োজনীয় বিষয়। ভ্ৰমণে ভিন ভিন ঠাইৰ মানুহৰ আচাৰ –ব্যৱহাৰ , ৰীতি নীতি, ধৰ্ম কৰ্ম সভ্যতা সংস্কৃতিৰ লগত পৰিচিত হোৱাৰ ফলত বৃহত্তৰ মানৱীয় জীৱনকো উপলব্ধি কৰায়। শিক্ষা ভ্ৰমণৰ ফলত মানৱ সংস্কৃতি বিকাশৰো পথ সুগম হয়। শিক্ষা ভ্ৰমণৰ ছাত্ৰ ছাত্ৰীৰ মনত দেশ প্ৰেমৰ অনুভূতি জাগ্ৰত কৰে।

**ঙ) <u>ক্ষেত্ৰ অধ্যয়নৰ পদ্ধতি:-</u>**

বঢ়মপূৰ "SRIMANTA SANKAR MISSION BLIND SCHOOL" ত থকা সৰু ডাঙৰ সকলো লৰা ছোৱালীৰ সমাজ জীৱন বিষয়টো অধ্যয়ন কৰিবলৈ ক্ষেত্ৰ অধ্যয়ন কৰোঁতে সেই স্কুলৰ কিছু লৰা ছোৱালী সাক্ষাৎকাৰ লোৱা হৈছিল।

ক্ষেত্ৰ অধ্যয়ন পদ্ধতিক দুটা ভাগত ভাগ কৰা হৈছে:-

**(ক)** বিশ্লেষনাত্মক পদ্ধতি: বিশ্লেষনাত্মক পদ্ধতিৰে বিষয়টি আলোচনা কৰাত যত্ন কৰিছে।

(খ) জৰীপ প্ৰস্তুতকৰণ পদ্ধতি: বিষয়টিৰ জৰীপ প্ৰস্তুতকৰোঁতে কেমেৰা ব্যৱহাৰ কৰি আলোকচিত্ৰ থনসংগ্ৰহ কৰা হৈছে। শেষত নিৰ্দিষ্ট ক্ৰমে অনুসৰি বিষয়টো সজোৱা হৈছে।

**(চ) <u>নগাওঁ বড়মপুৰ অঞ্চলৰ ইতিহাসৰ চমু বিৱৰণ:</u>**

নগাওঁ চহৰৰ মাজভাগত থকা বড়মপুৰ এখন বুৰঞ্জীপ্ৰসিদ্ধ ঠাই। বড়মপুৰ ঠাইডোখৰেই নিজে এই ইতিহাস মহাত্মাগান্ধিৰ নেতৃত্বৰ ভাৰতৰ বিয়পি পৰা স্বাধীনতা আন্দোলন ১৯৩০চনত আইন অমান্য আন্দোলনত আৰু ১৯৪২ চনৰ গণ আন্দোলন তথা ভাৰতবাসীৰ লগতে বড়মপূৰৰো পুৰুষ- মহিলা, যুৱক- যুৱতি আন্দোলনত জপিয়াই পৰে তাৰ ফলশ্ৰুতিত চাৰি গৰাকী বীৰাংগনা , আই মাতৃ, ভোগেশ্বৰী ফুকননী , ঠগীসূত ,বলোসূত আৰু লক্ষ্মীকান্ত হাজৰিকাক ইংৰাজী বৰ্বৰ পুলিচে গুলিয়াই হত্যা কৰে। আটাইকেইটা শ্বহীদকে বৰ্তমান শ্বহীদ বেদি পতা স্থানতে একেলগে সৎকাৰ কৰা হয়। সেয়েহে ১৮ ছেপ্টেম্বৰ দিনটো তেওঁলোকৰ আত্মাক সুঁৱৰি শ্বহীদ দিৱস হিচাপে পালন কৰা হয়।

গুৱাহাটী ব্যশিষ্টত মহামৃতুঞ্জয় সাধনা আশ্ৰম আৰু পঞ্চকনা বিদ্যাপীঠৰ প্ৰতিষ্টাতা স্বনামধন্য মহষী ইতিহাসিক বাবা ভৃনদগীৰি মহাৰাজ ইং ২০০২ চনত যোগ সাধনাত ইংগীতত বৃহতৰ বড়মপুৰ অঞ্চলৰ ভেৰভেৰী গোসাঁইগাওঁ বৈদিক সাহিত্য চৰ্চা গোৱেষণা প্ৰকল্প প্ৰাঙ্গণলৈ আৰু বড়মপুৰলৈ আহি ইতিহাসৰ উৎস বৃদ্ধিৰ অৰ্থে ভেৰভেৰি গোসাঁইগাওঁ বৈদিক সাহিত্য চৰ্চা গৱেষণা প্ৰকল্প কাষতে শ্ৰী শ্ৰী মহামৃতুঞ্জয় মন্দিৰৰ অধাৰশীলা স্থাপন কৰে

# NAGAON DISTRICT






অধ্যয়ন কৰিবলৈ যাওঁতে আমিবোৰ আৰু বাইদেউসকল

।এই মহামৃতুঞ্জয় দৰ্শন কৰিবলৈ দেশৰ সকলো প্ৰান্তৰ পৰা ভক্ত সকলৰ আগমন ঘটিছে।

**(ক) শ্ৰীমন্ত শঙ্কৰমিশ্যন অন্ধ বিদ্যালয়ৰ চমু বিৱৰণ:**

১৯৪৫চনৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদোগত শুৱালকুছি শ্ৰীমন্ত শংকৰদেৱ মন্দিৰৰ দ্বাৰা উনমোচন উপলক্ষে এক ৰাজহুৱা সভা অনুস্থিত হৈছিল। উক্ত সভাত সভাপতি কৰিছিল সেই সময়ত তদানীন্তন প্ৰধানমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱে । ডক্টৰ বাণীকান্ত কাকতি প্ৰমুখ্যে ভালকৈ  জন গণমান্য ব্যক্তিৰ উপস্থিত লোকসেৱক হলধৰ ভূঞা দেৱে শ্ৰীমন্ত শঙ্কৰদেৱৰ নামত এক মিছন স্থাপনৰ প্ৰয়াসেৰে চলাই অহা আশা শুধিয়া আৰু অবিৰত প্ৰচেষ্টাক বাস্তৱত ৰূপায়ন কৰাৰ বাবে এক প্ৰস্তাৱ দাঙি ধৰে।এই সভাতেই মিশ্যন প্ৰঠিষ্টাৰ প্ৰান্তব গৃহীত হয়। লোকসেৱাৰ হলধৰ ভূঞাৰ এই মিশ্যনৰ পৰিকল্পনা বাস্তৱত ৰূপায়ন কৰাত সকলো প্ৰকাৰে সহায় আৰু সহযোগিতা কৰে। ডাক্তৰ ললিন কুমাৰ বৰুৱাই আৰু ডাক্তৰ সংসধৰ নাথে। এই তিনি লোকৰ অকলান্ত পৰিশ্ৰম ত্যাগ আৰু অধ্যৱসায়ৰ ফলত ১৯৫০ চনত নগাওঁ চহৰৰ পানিগাওঁ চাৰিআলিত শ্ৰীমন্ত শংকৰ মিশ্যন প্ৰতিষ্ঠা হয়।

শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালয় স্থাপন হোৱাৰ  আগতে ১৮৮৭ চনত অমৃতচৰত ভাৰতৰ প্ৰথমখন দৃষ্টিহীন বিদ্যালয় আৰু পেৰিচত বিশ্বৰ ভিতৰত প্ৰথমখন দৃষ্টিহীন বিদ্যালয় স্থাপন কৰা হৈছিল। কিন্তু ১৯৫৫চনত ২৭চেপ্টেম্বৰ মুখ্য

মন্ত্ৰী বিষ্ণুৰাম মেধিয়ে নগাঁৱত উমেচনা কৰা শ্ৰীমন্ত শংকৰ মিশ্যন অন্ধ বিদ্যালয় থন হৈছে দৃষ্টিহিন বিদ্যালয়। দৃষ্টিহীন শিশু সকলৰ শিক্ষাৰ ব্যৱস্থা কৰা শ্ৰীমন্ত শংকৰ মিশ্যন হৈছে অসমৰ প্ৰথম স্বেচ্ছাসেৱী অনুষ্ঠান।

শ্ৰীমন্ত শঙ্কৰ মিশ্যনে এই বিদ্যালয়থন স্থাপন কৰাৰ মূল উদ্দেশ্য হৈছে পৰিকল্পিত শিক্ষা দানেৰে দৃষ্টিহিণ শিশু সকলক সমাজৰ একো একো জন কাৰ্যক্ষম ব্যক্তি হিচাপে গঢ়ি তোলা। এই বিদ্যালয়ৰ সা সুবিধাবোৰৰ বিষয়ে চাৰিওফালে বিয়পি পৰাৰ ললে লগে শিক্ষা গ্ৰহণৰ বাবে উত্তৰ পূৰ্বঞ্চলৰ বিভিন্ন ঠাইৰ পৰা দৃষ্টিহিন শিশু সকলে নাম ভৰ্তি কৰিব ধৰিলে। ছাত্ৰ ছাত্ৰীৰ সংখ্যা বাঢ়ি অহাৰ শঙ্কৰ মিশ্যন নিবাষ গৃহত ঠাইৰ নাটনি হৈ আহিল। তেতিয়া সহকৰ মিশ্যন কতৃপক্ষই অন্ধ বিদ্যালয় থন স্থানান্তৰৰ কথা ভাবিবলৈ ধৰিলে।সেই উদ্দেশ্যে শংকৰ মিশ্যন অসম চৰকাৰৰ পৰা বঢ়মপূৰত ৪০ বিঘা মাটিৰ আবণ্টন পায়। এই মাটিতে শংকৰ মিশ্যন বিদ্যালয় ভৱণ , ছাত্ৰ ছাত্ৰীৰ নিবাস গৃহ, ৰন্ধন শালা , খোৱা ঘৰ, অধিকক্ষ গৃহ, কৰ্মচাৰীৰ বাবে থকা ঘৰ নিৰ্মাণ কৰে। তাৰ পাছত ১৯৬৬ চনৰ জানুৱাৰী মাহত এই শ্ৰী মন্ত শংকৰ মিশ্যন অন্ধ বিদ্যালয় থন সম্পূৰ্ণ ভাবে নগাঁৱৰ পৰা ১০ কি:মি: নিলগৰ বঢ়মপূৰলৈ স্থানান্তৰ কৰা হয়।

অসমীয়া মাধ্যমত এই বিদ্যালয়ত ছাত্ৰ ছাত্ৰী সকলৰ শিক্ষা প্ৰদান কৰা হৈছে। পাঠ্যক্ৰম অনুসৰি বিদ্যালয় খনৰ ৩টা শাখাত ভাগকৰা হৈছে:(১) প্ৰাথমিক শিক্ষা (২) মধ্য ইংৰাজী শাখা (৩) উচ্চ মাধ্যমিক শাখা।

এই দৃষ্টিহীন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ লিখা পঢ়াৰ প্ৰক্ৰিয়া আন দৃষ্টি থকা ছাত্ৰ ছাত্ৰীয়ে পঢ়া বিদ্যালৈৰ নিচিনা নহয়। দৃষ্টিহীন সকলে লিখা পঢ়াৰ প্ৰক্ৰিয়াটোক "ব্ৰেইল পদ্ধতি" বুলি কোৱা হয়। নতুন লুই ব্ৰইল (Louis brail) নামৰ এজন ফৰাচী দৃষ্টিহীন লোকে এই পদ্ধতি উদ্ভাবন কৰিছিল তেখেতৰ নামানুসৰি এই পদ্ধতি ব্ৰেইল পদ্ধতি বুলি কোৱা হয়। সমগ্ৰ বিশ্বৰ দৃষ্টিহীন সকলেই ব্ৰেইল পদ্ধতিৰ মিধ্যমেৰে শিকা গ্ৰহণ কৰি আহিছে। আমাৰ এই শ্ৰীমন্ত মিশ্যন অন্ধ বিদ্যালইত ছাত্ৰ ছাত্ৰীসকলে নাম ভৰ্তি কৰাৰ লগে লগে এই ব্ৰেইল পদ্ধতিৰে পোন প্ৰথমে আখৰ সমূহ চিনাকি কৰোৱা হয়।

শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালয়ত ২৭চেপ্টেম্বৰ দিনটো বিদ্যালৈৰ প্ৰতিষ্ঠা দিৱস হিচপে পালন কৰে। ৪জানুৱাৰী দিনটো লুই ব্ৰেইল নামৰ জন্ম দিৱস হিচাপে পালন কৰে। ইয়াৰ বাহিৰেওঁ স্বাধীনতা দিৱস, গণতন্ত্ৰ দিৱস, জন্মাষ্টমী ইত্যাদি বিভিন্ন অনুষ্ঠান সমূহ বিদ্যালয়ত পালন কৰে সংগীত অন্ধ বিদ্যালয়ৰ এটি পৰিহায্য বিষয়।

মাত্ৰ তিনিজন ছাত্ৰৰে আৰম্ভ হোৱা শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালয় খনৰ বৰ্তমান লৈকে প্ৰাই ৪০০ছাত্ৰ ছাত্ৰীয়ে শিক্ষা গ্ৰহণত সা সুবিধা পোৱাটো বৰ সুখৰ বিষই। শ্ৰীমন্ত শঙ্কৰ



অধ্যয়নকক্ষ ছাত্ৰীজনীৰ সৈতে মই

মিশ্যন অন্ধ বিদ্যালয় থন এখন বিশেষ শ্রেণীৰ আৱাসিক বিদ্যালয়।

**(ক) ব্যক্তিজনৰ বিষয়ে চমু বিৱৰণ:**

ছোৱালীজনী অতিশান্ত আৰু সহজ সৰল প্ৰকৃতিৰ। তাইৰ নাম দৈৱকী কিছকো। বৰ্তমান তাইৰ বয়স ১৮ বছৰ। তেওঁ শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী। দৈৱকী কিছকোৱে পঢ়া শুনাৰ লগতে বিভিন্ন ধৰণৰ কামকৰে যেনে: গান গোৱা আৰু তেওঁ লোকৰ সমনিয়া সকলৰ লগত বিভিন্ন ধৰণৰ খেল খেলি আজৰি সময় পাৰ কৰে। তেওঁৰ মতে ব্ৰেইল পদ্ধতিৰ যোগেদি পঢ়া শুনা কৰাত কোনো ধৰণৰ অসুবিধা সনমুখিন হোৱা নাই।

**(১) তথ্য চিনাক্তকৰণ:-**

**ব্যক্তিৰ নাম** : **দৈৱকি কিচকো।**

**2) ব্যক্তিৰ লিংগ** : **স্ত্ৰী লিংগ,**

**পঢ়ি থকা শ্ৰেণী** : **দশম মান**

**ব্যক্তিৰ বয়স** : **১৮বছৰ**

**(৩) আৰ্থ সামাজিক তথ্য:-**

**অভিভাৱকৰ শিক্ষা** : **দ্বীতীয় শ্ৰেণী**

**তেওঁ লোকৰ জীৱনৰ** : **কৃষিকৰ্ম**

**পৰিয়ালৰ উপাৰ্জন : সীমিত**

**ঘৰৰ আৰ্হি :খেৰৰ ঘৰ**

**পৰিয়ালৰ তেওঁ লোকৰ সদস্য সংখ্যা : ৪ জন**

**পৰিয়ালত তেওঁ লোকৰ সমজুজন : মিলা প্ৰীতি।**

**<u>শাৰীৰিক স্বাহ আৰু শাৰীৰিক বৈশিষ্টসমূহ:</u>**

**ব্যক্তিগৰাকীৰ উচ্চতা : ৪ ফুট ৩ ইঞ্চি**

**তেওঁৰ ওজন :৪০ কে: জি:**

**ব্যক্তি শাৰীৰিক ভাৱে অক্ষম নেকি :নহয়**

**তেওঁৰ দেহৰ থকা ৰোগ :নাই**

**অতীত আৰু বৰ্তমান থকা ৰোগ :নাই**

অতীত আৰু বৰ্তমানৰ বিষয়ে চমু আভাস: দৈৱকী কিচকোৰ অতীত জীৱনটোৰ বিষয়ে আমি অৱগত নহয় যদিও তেওঁ সৃষ্টিহিন হোৱাৰ বাবে তেওঁ বঢ়মপুৰ শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালয়ত থাকিয়েই পঢ়া শুনা আৰম্ভ কৰিছে। তেওঁ বৰ্তমান শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালই দশম মান শ্ৰেণীৰ ছাত্ৰী। তেওঁৰ লগত কথা পাতি মই অতীতৰ কিছু কথা জনিচিলো।তেওঁ সপোন বাস্তৱত পৰিনতকৰিব বুলি তেওঁ দৃড প্ৰতিজ্ঞা আছিল। সৰুৰে পৰা দৈৱকী কিচকোৱে গান গোৱাৰ

লগতে খেলা ধূলা আৰু পঢ়া শুনা কৰাত তেওঁ আগ্ৰহী আৰু তাই এজনী ভাল ক্ষিকক্ষত্ৰী হব বিছাৰিছে। বৰ্তমান দৈৱকী কিচকোৱে অন্ধ বিদ্যালয় থাকি কোনো ধৰণৰ অসুবিধা পুৱানাই আৰু তেওঁৰ ঘৰৰ সকলোঁ মৰম স্নেহ এই বিদ্যালয়তে পাইছে আৰু সকলো দিশত শিক্ষক শিকয়ত্ৰীয়ে উৎসাহ যোগাই আহিছে।

## ব্যক্তিজনে দিয়া বিবৰণ:-

বিদ্যালয়খনৰ সমূহ ছাত্ৰ ছাত্ৰীৰ মাজৰ মোৰ অধ্যয়নৰ সন্নিৱিষ্ট ছাত্ৰীজনিৰ নাম দৈৱকী কিচকো। তেওঁৰ লগত কথা বতৰা পাতি মই জানিব পাৰিছো যে শ্ৰী মন্ত শংকৰ মিশ্যন অন্ধ বিদ্যালয়ত থাকি তেওঁ কোনো ধৰণৰ বাধাৰ সন্মূখীন হোৱা নাই,তাত তেওঁ শিক্ষক শিক্ষয়িত্ৰীকে আদি কৰি সকলোৱে মৰম , স্নেহ আৰু আদৰেৰে আকোঁৱালি লৈছে। তেওঁ বৰ্তমান সেই বিদ্যালয়খনৰ দশম মান শ্ৰেণীৰ ছাত্ৰী। পঢ়া শুনা আৰু অন্যান্য দিশতো তেওঁক সকলোৱে উৎসাহ যোগাই আহিছে।

দৈৱকি কিচকো নগাওঁ জিলাৰ বৰ কন্দলী এটি সাধাৰণ পৰিয়ালৰ ছোৱালী। দৈৱকীৰ ঘৰত মাক,দেৱতাক,ভায়েক, ভনীয়েক আছে।দৈৱকী কিস্কো সৰুৰেই পৰা অন্ধ নাছিল। ২০১৩ চনৰ এটি দুৰ্ঘটনাত বশত: তাই তাইৰ চকুজুৰি হেৰুৱাই। ২০১৪ চনত ফেব্ৰৱাৰীত দৈৱকী বৰ কন্দলীৰ পৰা আহি শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল।তাৰ আগত তাই বৰ কন্দলীতে ৫মান শ্ৰেণী লৈকে পঢ়িছিল। দৈৱকী কিস্কু যদিও দৃষ্টিহীন তথাপিউ তেওঁ লিখা পঢ়াৰ লগতে নিজৰ সকলো শিনি

কাম পৰি পাঠিঁকৈ কৰিব পাৰে। অন্ধ বিদ্যালয়ত থাকি তেওঁ বহুত ভাল পাইছে। সেই বিদ্যালয়ত থকা সকলো লৰা ছোৱালীৰ মাজত কোনো ভেদ-ভাৱ , কাজিয়া -পেছাল নাই । সকলো মিলা প্ৰীতিৰে বিদ্যালয়ত থাকে। শেষত দৈৱকীয়ে এষাৰ কথা কৈছিল যে মোৰ শাৰীৰিক অক্ষমতাই মোৰ কৰ্মক্ষেত্ৰত মনোবল কমাব নোৱাৰে।

# সামৰণী মন্তব্য:-

"মই যিজন ছোৱালীৰ পূৰ্ণ বৃতান্ত অধ্যয়ন কৰিছিলোঁ তেওঁ নগাওঁ জিলাৰ বৰ কন্দলীৰ হয়।তেওঁ দিয়া বিৱৰণৰ পৰা মই কব পাৰোঁ যে বৰ্তমান তেওঁ জীৱনটো সুখ আৰু দুখেৰে ভৰা। তেওঁ মানসিক আৰু শাৰীৰিক ভাৱে যথেষ্ট দুখিত।তেওঁ যদিও দৃষ্টি হীন তথাপিও পঢ়া শুনা আৰু সংগীত গোৱাত যথেষ্ট আগবঢ়া।

অতীতৰ দুৰ্ঘটনাক পাহৰি বৰ্তমান সুখী হোৱা জনহে আচল ব্যক্তি, কাৰণ মানুহৰ জীৱনত সুখ আৰু দুখ দুয়োটাই থাকে। জীৱনত যদি দুখ নাথাকে সুখৰ অনুভৱ পাব নোৱাৰি। মানুহে সদায় নিজৰ মনটো ডাঠ কৰি ৰাখিব লাগিব। তেওঁ সফল আৰু অভিজ্ঞ ব্যক্তি হ'বলৈ সহযোগিতা আগবঢ়াই আহিছে । একমাত্ৰ মাক দেউতাক আৰু বিদ্যালয়খনে লগতে বিভিন্ন ব্যক্তি সকল। মোৰ ফালৰ পৰাও দৈবকি কিচকোক আন্তৰিক কৃতজ্ঞতা জ্ঞাপনৰ লগতে জীৱন উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

বঢ়মপূৰ শ্ৰী মন্ত শংকৰ মিশ্যন অন্ধ বিদ্যালয়ত উপস্থিত হৈ মোৰ মনটো বৰ উৎফুল্লিত হৈছিল।

বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীবোৰ যদিও দৃষ্টি হীন আছিল কিন্তু তেওঁলোকৰ আচাৰ ব্যৱহাৰ, পৰিষ্কাৰ পৰিচালনতা কাপোৰ পিন্ধা ইত্যাদি বহুত উন্নত মানৰ। অতীতৰ পৰা বৰ্তানলৈকে শ্ৰীমন্ত শঙ্কৰ মিশ্যন অন্ধ বিদ্যালয় যেনেদৰে অন্ধ ছাত্ৰ ছাত্ৰীক জীৱনৰ বাটত আগুৱাই যোৱাৰ যি শিক্ষা গুৰু সকলক শুদ্ধ প্ৰমাণ জনাইছোঁ আৰু লগতে সদৌ শেষত মই আমাৰ মহা বিদ্যালয়ৰ মনোবিজ্ঞন বিষয়ৰ বিভাগী অধ্যপিকা সকলক ধন্যবাদ জ্ঞাপন কৰিলোঁ